**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৱে কৈছে যে জনজাতীয় লোকসকল হৈছে প্ৰাকৃতিক জীৱনশৈলীৰ দ্বাৰা সঞ্চিত জ্ঞানৰ ভঁৰাল।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৩। কেন্দ্ৰীয় বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে বিশ্ব বেংকক ডিজিটেল অন্তৰ্ভুক্তীকৰণ আৰু বহনক্ষম শক্তিৰ ক্ষেত্ৰত গোলকীয় দক্ষিণৰ পৰিবৰ্তনশীল দিশসমূহৰ আঁত ধৰি দুমুখীয়া উদ্ভাৱনৰ বিনিময়ৰ প্ৰসাৰ কৰিবলৈ আহ্বান জনাইছে।

৪। মনিকা বাট্ৰাই ডব্লিউ টি টি ছেম্পিয়নছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় টেবুল টেনিছ খেলুৱৈ হিচাপে ইতিহাস ৰচনা কৰিছে। ***আৰু***

৫। নিউজিলেণ্ডে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ দ্বিতীয় ইনিংছত ২৫৫ ৰাণ সংগ্ৰহ কৰি ভাৰতক ৩৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৱে কৈছে যে জনজাতীয় লোকসকল হৈছে প্ৰাকৃতিক জীৱনশৈলীৰ দ্বাৰা সঞ্চিত একোটা জ্ঞানৰ ভঁৰাল। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি ভিলাইৰ সমাবৰ্তন অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে জনজাতীয় লোকসকলৰ জীৱনশৈলীৰ পৰা শিক্ষা লৈ যিকোনো লোকে দেশৰ বহনক্ষম উন্নয়নত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। তেওঁ কয় যে দেশৰ সম্পূৰ্ণ বিকাশ তেতিয়াহে সম্ভৱ হ'ব যেতিয়া জনজাতীয় লোকসকলে উন্নয়নমূলক প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। চত্তিশগড়ৰ ভূমি জনজাতীয় পৰম্পৰা আৰু সংস্কৃতিৰে চহকী বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে জনজাতীয় সমাজৰ লোকসকলে প্ৰকৃতিক ভালদৰে বুজি পাই আৰু যুগ যুগ ধুৰি এই পৰিবেশৰ সৈতে সমিল মিলেৰে জীৱন নিৰ্বাহ কৰি আহিছে।

আজিৰ অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে ৭ গৰাকী শিক্ষাৰ্থীক সোণৰ পদক প্ৰদান কৰে। অনুষ্ঠানত ছত্তিশগড় ৰাজ্যপাল ৰমেন ডেকা আৰু মুখ্যমন্ত্ৰী বিষ্ণু ডেও সাই উপস্থিত থাকে। ৰাষ্ট্ৰপতিয়ে আজি বিয়লি নয়া ৰায়পুৰত স্বাস্থ্য বিজ্ঞান আৰু আয়ুষ বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত অংশগ্ৰহণ কৰিব। ০০০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে বিশ্ব বেংকক ডিজিটেল অন্তৰ্ভুক্তীকৰণ আৰু বহনক্ষম শক্তিৰ ক্ষেত্ৰত গোলকীয় দক্ষিণৰ পৰিবৰ্তনশীল দিশসমূহৰ আঁত ধৰি দুমুখীয়া উদ্ভাৱনৰ বিনিময়ৰ প্ৰসাৰ কৰিবলৈ আহ্বান জনাইছে। ৱাশ্বিংটন ডি চিৰ বিশ্ব বেংকত অনুষ্ঠিত বাৰ্ষিক বৈঠকত **ভৱিষ্যতৰ বাবে সাজু বিশ্ব বেংক গোট** সন্দৰ্ভত উন্নয়ন সমিতিৰ পূৰ্ণাংগ সত্ৰত ভাষণ দি বিত্তমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমণে ব্যাপক অংশীদাৰিত্ব বৃদ্ধি, মধ্য আয়ৰ দেশসমূহক অধিক ঋণ ল'বৰ বাবে উৎসাহিত কৰা তথা উন্নয়নমূলক কাৰ্যকলাপ বৃদ্ধি কৰাৰ বাবে বিশ্ব বেংকক আৰু অধিক প্ৰতিযোগিতামূলক দৰ নিৰ্ধাৰণ আৰ্হি গঠন কৰিবলৈ আহ্বান জনায়। শ্ৰীমতী সীতাৰমণে লগতে ভাৰতৰ স্থিতিৰ কথা দোহাৰি কয় যে বিশ্ব বেংকে **গোলকীয় সূচ্যাংক** আৰু **বিশ্বব্যাপী শাসন সূচক** আৰু **নতুন বি-ৰেডী সূচ্যাংকৰ** দৰে বিভিন্ন দেশৰ তুলনামূলক কাৰক নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত প্ৰমাণ আধাৰিত আৰু তথ্য আধাৰিত পদ্ধতি কঠোৰভাৱে গ্ৰহণ কৰা উচিত বুলি উল্লেখ কৰে।

০০০০

কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৱৰ্তন কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাযবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ অধ্যক্ষ ড০ এছ সোমনাথে আজি বিয়লি নতুন দিল্লীৰ আকাশবাণীৰ ৰং ভৱনত ২০২৪ বৰ্ষৰ চৰদাৰ পেটেল স্মাৰক বক্তৃতা প্ৰদান কৰিব। ড০ সোমনাথে **INDIAN SPACE ODYSSEY : IN SEARCH OF NEW FRONTIERS** এই বিষয়ত ভাষণ দিব। প্ৰচাৰ ভাৰতীয়ে চৰ্দাৰ বল্লভভাই পেটেলৰ স্মৃতিত এই বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰখ্যাত নৃত্য শিল্পী তথা সাংস্কৃতিক ব্যক্তি কনক ৰাজুৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে গোচাড়ী নৃত্যৰ সংৰক্ষণৰ ক্ষেত্ৰত কনক ৰাজুৰ অৰিহণাৰ প্ৰশংসা কৰি কয় যে তেওঁৰ অৱদানে ভৱিষৎ প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। শ্ৰীমোদীয়ে উল্লেখ কৰে যে নৃত্য শিল্পৰ প্ৰতি কনক ৰাজুৰ সমৰ্পণ আৰু প্ৰচেষ্টাৰ ফলস্বৰূপে সাংস্কৃতিক ঐতিহ্যৰ গুৰুত্বপূৰ্ণ দিশসমূহ ইয়াৰ প্ৰামাণিক ৰূপত বিকশিত হোৱাতো নিশ্চিত কৰিছে।

০০০০

মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ আৰু শিৱসেনাই ক্ৰমে ২৩ গৰাকী আৰু ১৫ গৰাকী প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা ঘোষণা কৰিছে। কংগ্ৰেছে ৰালেগাঁৱৰ পৰা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মন্ত্ৰী বসন্ত পুৰ্কে, চাৱনেৰৰ পৰা অনুজা কেডাৰ, অৰ্জুনী-ম'ৰগাঁৱৰ পৰা দিলিপ বাঞ্চুড়, জালনাৰ পৰা কৈলাশ গোৰণ্টয়াল আৰু চিয়ন কলিৱাৰাৰ পৰা গনেশ যাদবক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। আনহাতে শিৱসেনাই ধুলেৰ পৰা অনিল গ'টে, হীংগলীৰ পৰা ৰূপালী পাটিল, শিৰৰীৰ পৰা অজয় চৌধৰী আৰু বায়কুলাৰ পৰা মনোজ জামচুটকাৰক প্ৰাৰ্থীত্ব পৰ্দান কৰিছে। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হৈছে ২৯ অক্টোবৰ। ৰাজ্যখনত অহা ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০

সীমান্ত সুৰক্ষা বাহিনী আৰু সীমান্তৰক্ষী বাংলাদেশৰ মাজত অহা ১৮ ৰ পৰা ২২ নৱেম্বৰলৈ নতুন দিল্লীত হ'লগীয়া সঞ্চালক প্ৰধান পৰ্যায়ৰ সীমান্ত সুৰক্ষা বিষয়ক আলোচনাখন স্থগিত ৰখা হৈছে। সীমান্তৰক্ষী বাংলাদেশৰ মুখপাত্ৰই জনোৱা অনুসৰি বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাংলাদেশ সীমান্তৰক্ষীৰ বিষয়াসকল দেশখনত বিভিন্ন বিষয়ত নিয়োজিত হৈ থকাৰ বাবে বি এছ এফৰ সৈতে মিলিত হ'বলগীয়া বৈঠকখন এমাহ পিছুৱাই দিবলৈ অনুৰোধ জনায়। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশৰ মাজত সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক বছৰত দুবাৰকৈ অনুষ্ঠিত হয়। এয়া আছিল ৫৫ সংখ্যক বৈঠক।

০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ দ্বিতীয় ইনিংছত ২৫৫ ৰাণ সংগ্ৰহ কৰি ৩৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। নিউজিলেণ্ডে কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৯৮ ৰাণৰ পৰা আজি তৃতীয়দিনাৰ খেল আৰম্ভ কৰিছিল। মহাৰাষ্ট্ৰ ক্ৰিকেট এছ'ছিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈকে ৫. টা উইকেটৰ বিনিময়ত ১৪৭. ৰাণ কৰি খেলি আছে।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২৫৯ ৰানৰ বিপৰীতে ভাৰতে ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। ইপিনে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন টেষ্টত ৮ উইকেটত জয়লাভ কৰাৰ পাছত নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

oooooo

মনিকা বাট্ৰাই ডব্লিউ টি টি ছেম্পিয়নছ্ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় টেবুল টেনিছ খেলুৱৈ হিচাপে ইতিহাস ৰচনা কৰিছে। মণিকাই কালি  ফ্ৰান্সৰ মণ্টপেলিয়াৰত ৰাউণ্ড অৱ চিক্সটিনত ৰোমানিয়াৰ বাৰ্ণাডেট স্কোক্সক  ৩-১ৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পাছৰখন খেলত আজি মণিকাই চীনৰ কিয়ান টিয়ানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে ২০২৪ ৰ পেৰিছ্ অলিম্পিকতো মণিকাই ৰোমাণিয়ন খেলুৱৈগকীক ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰিছিল।

ooooo

সমাপ্ত